# অধ্যায় ১১ ঃ চৰকসংহিতা ঃ সূত্ৰস্থানৰ বৰ্ণনা

## অধ্যায় গাঁথনি


১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ চৰকসংহিতা

১১.৩.১ চৰকসংহিতাৰ বিষয়বস্তু

১১.৩.২ চৰকসংহিতাৰ স্থান আৰু অধ্যায়

১১.৪ সূত্ৰস্থান

১১.৫ সূত্ৰস্থানৰ অধ্যায়সমূহৰ নাম আৰু বিষয়বস্তু

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবলৈ

১১.৮ অগ্ৰগতিৰ খতিয়ান

১১.৯ আৰ্হি প্ৰশ্ন


## ১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- চৰকসংহিতাৰ সূত্ৰস্থানৰ বিষয়বস্তুৰ লগত চিনাকি হ'ব পাৰিব
- চৰকসংহিতাৰ সংক্ষিপ্ত বিষয়সূচীৰ জ্ঞান লাভ কৰিব
- সূত্ৰস্থানৰ অধ্যায়সমূহৰ নামৰ লগত অৱগত হ'ব
- ৩০টা অধ্যায়ৰ বিষয়বস্তু সংক্ষেপে জানিব পাৰিব
- অধ্যায়সমূহত থকা শ্লোকৰ সংখ্যাৰ জ্ঞান হ'ব।

## ১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোৰ পৰা আপুনি জানিব পাৰিলে যে, চৰকসংহিতা ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰৰ এখন প্ৰসিদ্ধ গ্ৰন্থ। চৰকৰ দ্বাৰা পৰিমাৰ্জিত এই গ্ৰন্থখনত প্ৰাচীন ভাৰতীয় চিকিৎসা শাস্ত্ৰৰ বিভিন্ন দিশ অতি সাবলীলভাৱে আলোচনা কৰা হৈছে। ৮টা স্থানত ১২০টা অধ্যায়ক সামৰি গ্ৰন্থখনে আয়ুৰ্বেদৰ অষ্টাঙ্গ বিষয়ৰ সম্যকৰূপে উপস্থাপন কৰিছে।

চৰকসংহিতাৰ প্ৰথমটো স্থান (section) হৈছে সূত্ৰস্থান। ইয়াত ৩০টা অধ্যায় আছে। ‘সূত্ৰ’ মানে হৈছে সূঁতা (thread)। সূঁতাই যেনেকৈ ফুলসমূহক একত্ৰিত কৰি মালাৰ গঠন কৰে, ঠিক তেনেদৰে বিভিন্ন বিষয়ৰ একত্ৰ কৰি এই শাখাটো অৰ্থাৎ স্থানটো প্ৰণয়ন কৰা হৈছে। আয়ুৰ্বেদৰ ইতিহাসকে আদি কৰি বিভিন্ন বিষয় ইয়াত সন্নিৱিষ্ট হৈ আছে। প্ৰত্যেকটো অধ্যায় এটা এটা

নিৰ্দিষ্ট বিষয়ত নিৱদ্ধ হৈ আছে।

চৰকসংহিতাৰ এই অধ্যায়টোত আপুনি সূত্ৰস্থানৰ লগত পৰিচয় হ'ব পাৰিব। সূত্ৰস্থানৰ ৩০টা অধ্যায়ত কি কি বিষয়সমূহ অন্তৰ্ভুক্ত হৈছে, সেই সম্পৰ্কে আপুনি জানিব পাৰিব। সূত্ৰস্থানৰ অধ্যায়সমূহৰ বিস্তৃত আলোচনা এই অধ্যায়টোত আগবঢ়োৱা হৈছে।

## ১১.৩ চৰকসংহিতা

আজিলৈকে উপলব্ধ আয়ুৰ্বেদীয় গ্ৰন্থসমূহৰ ভিতৰত চৰকসংহিতা অন্যতম। এই গ্ৰন্থখন আয়ুৰ্বেদৰ অষ্টাঙ্গৰ ভিতৰত অন্যতম কায়চিকিৎসাৰ ক্ষেত্ৰত উল্লেখযোগ্য চিকিৎসা গ্ৰন্থ। আয়ুৰ্বেদৰ আঠটা অংগ হৈছে— কায়চিকিৎসা, শালাক্য, শল্যাপহৰ্তৃক (শল্যতন্ত্ৰ), বিষগৰ-বৈৰো-ধিকপ্ৰশমন (অগদতন্ত্ৰ), ভূতবিদ্যা, কৌমাৰভৃত্য, ৰসায়ন আৰু বাজীকৰণ। সেই কাৰণে প্ৰাচীন বিদ্বানসকলে কৈছে— 'চৰকস্তু চিকিৎসতে।'

ইতিমধ্যে কৈ অহা হৈছে যে অধুনা উপলব্ধ চৰকসংহিতাখন এখন প্ৰতিসংস্কৃত (redacted) গ্ৰন্থ। পূৰ্ণবসু আত্ৰেয়ৰ ছয়জন শিষ্যৰ ভিতৰত অগ্নিৱেশ অতি মেধাবী আৰু শ্ৰেষ্ঠ আছিল। তেওঁ আত্ৰেয়ৰ পৰা আয়ুৰ্বেদৰ জ্ঞান লাভ কৰি 'অগ্নিৱেশতন্ত্ৰ' নামৰ গ্ৰন্থখন ৰচনা কৰে। এই মূল গ্ৰন্থখন চৰকে সংস্কাৰ কৰা কাৰণে তেওঁৰ নামেৰে গ্ৰন্থখন প্ৰতিষ্ঠিত হয়। আনহাতে এই চৰকসংহিতাখন আকৌ দৃঢ়বলে প্ৰতিসংস্কাৰ (reduction) কৰে লগতে কেইটামান অধ্যায় আৰু দুটা স্থান সংলগ্ন কৰে— 'মহৰ্ষিনা পুনৰ্বসুনোপদিষ্টা তচ্ছিষ্যেনাগ্নিবেশেন প্ৰণীতং চৰকদৃঢ়বলাভ্যাং প্ৰতিসংস্কৃতা চৰকসংহিতা।' আকৌ চৰকসংহিতাৰ প্ৰতিটো অধ্যায়ৰ শেষত এনেদৰে পোৱা যায়— 'অগ্নিৱেশকৃতেতন্ত্ৰে চৰকপ্ৰতিসংস্কৃতে দৃঢ়বলসংপুৰিতে।'

### ১১.৩.১ চৰকসংহিতাৰ বিষয়বস্তু

চৰকসংহিতাত আয়ুৰ্বেদৰ বিভিন্ন বিষয় সামৰা হৈছে। ইয়াৰ ভিতৰত নিম্নোক্ত বিষয়সমূহৰ আলোচনা বহুলভাৱে পোৱা যায়। এই বিষয়সমূহ হৈছে— বেদ তথা উপবেদ, আয়ুৰ্বেদৰ অৱতৰণ, আয়ুৰ্বেদৰ প্ৰাচীনতা, আয়ুৰ্বেদৰ পৰিভাষা, আয়ুৰ্বেদৰ মহত্ত্ব, ৰোগৰ আশ্ৰয়, শাৰীৰিক তথা মানসিক দোষ, দ্ৰব্যৰ প্ৰকাৰ, মণি-মন্ত্ৰ-ঔষধিৰ আলোচনা, ঔষধিৰ বৰ্গীকৰণ, ঔষধিৰ প্ৰয়োগ, মূৰ্খ তথা শ্ৰেষ্ঠ চিকিৎসক, প্ৰাণাচাৰ্য্যৰ লক্ষণ, পৰিমিত আহাৰ, শৰীৰ-স্বাস্থ্য বিজ্ঞান, ঋতুচৰ্যা, বেগৰ বাধাগত হানি, মনোবেগ, ব্যায়াম, আহাৰ-বিহাৰৰ নিয়মন, প্ৰজ্ঞাপৰাধ, মনোবিকাৰ, হিতকৰ আহাৰ-বিহাৰ, ইন্দ্ৰিয়ৰ ব্যাখ্যা, ইন্দ্ৰিয়ৰ জ্ঞান, শুভ-অশুভ প্ৰবৃত্তি, ইন্দ্ৰিয়ৰ বিষয়, ইন্দ্ৰিয়ৰ স্বভাৱ, ইন্দ্ৰিয়-নিগ্ৰহ, সদ্‌বৃত, ভোজন সম্বন্ধীয় উপদেশ, উচিত আচাৰ-ব্যৱহাৰ, ৰোগৰ শান্তিৰ কাৰণ, গুণী বৈদ্য, বৈদ্যৰ গুণবত্তা, চিকিৎসাৰ আশংকা, আত্ৰেয়ৰ দ্বাৰা শংকা নিবাৰণ, সাধ্য তথা অসাধ্য ৰোগ, তিনিটা এষণা, পূৰ্ব জন্মৰ ওপৰত বিতৰ্ক, যথাৰ্থ জ্ঞানৰ পৰীক্ষা, পুনৰ্জন্মৰ ওপৰত আপ্তোদেশ, বীজ আৰু ফল, সাতটা ত্ৰিপুটি, ৰোগৰ পূৰ্ব উপচাৰ, বায়ুৰ গুণ-

দোষ আৰু কৰ্ম, স্নেহৰ ব্যাখ্যা, স্নেহৰ সেবন কাল, স্নেহৰ প্ৰয়োগ, আঠ প্ৰকাৰৰ নিন্দিত মনুষ্য, শকত আৰু ক্ষীণাকায়ৰ চিকিৎসা, হিত আৰু অহিতৰ বিচাৰ, হিত আৰু অহিত আহাৰ, হিত-অহিত দ্ৰব্য তথা কৰ্ম, ৰসৰ ওপৰত চিন্তা-চৰ্চা, ৰসৰ বৰ্ণনা, দ্ৰব্যৰ প্ৰভেদ, ৰসৰ মিশ্ৰণ, ৰসৰ উৎপত্তি, ৰসৰ গুণ আৰু কৰ্ম, বিৰুদ্ধ আহাৰ, পৰস্পৰ বিৰোধী দ্ৰব্য, অন্নপান বিধি, আহাৰ-দ্ৰব্যৰ বৰ্গ, জলৰ বৰ্ণনা, হৃদয়ৰ দহটা ধমনী, আয়ুৰ্বেদৰ নিত্যতা, আয়ুৰ্বেদৰ অঙ্গ, অহংকাৰী চিকিৎসক, আহাৰৰ বিশেষ বিধি, আহাৰৰ মাত্ৰা-অমাত্ৰা, ধৰ্ম-অধৰ্মৰ ব্যাখ্যা, অধৰ্মৰ পৰিণাম, আয়ুৰ পৰিমাণ, মৃত্যুৰ কাৰণ, গৰম আৰু ঠাণ্ডাৰ উপচাৰ, দৈৱ আৰু পুৰুষাৰ্থ, ৰোগ বিজ্ঞান, শৰীৰৰ স্ৰোত, ৰোগৰ ভেদ, চাৰি প্ৰকাৰৰ অগ্নি, ৰোগাক্ৰান্ত মানুহ, চিকিৎসক হোৱাৰ সাধন, আচাৰ্য্যৰ পৰীক্ষা, অধ্যাপন বিধি, বৈদ্যক জ্ঞানৰ উপদেশ, ৰোগৰ উৎপত্তি, গৰ্ভোৎপত্তিৰ কাৰণ, গৰ্ভৰ বিকাশক্ৰম, গৰ্ভৰ অৱস্থা, গৰ্ভবৃদ্ধি হেতু, মনৰ প্ৰভেদ, পুৰুষৰ ব্যাখ্যা, প্ৰকৃতিৰ পৰা নিবৃত্তিৰ উপায়, শৰীৰ সম্বন্ধীয় বিশেষ জ্ঞান ইত্যাদি।

### ১১.৩.২ চৰকসংহিতাৰ স্থান আৰু অধ্যায়

চৰকসংতিত ৮টা স্থান (Section) আছে। প্ৰতিটো স্থানতেই কেইটামান অধ্যায় (Chapter) আছে। এনেদৰে সৰ্বমুঠ ১২০টা অধ্যায় চৰকসংহিতাত আছে। স্থান অনুসৰি অধ্যায়সমূহৰ স্থিতি এনেধৰণৰ— প্ৰথম স্থান হৈছে সূত্ৰস্থান, ইয়াত ৩০টা অধ্যায় আছে। দ্বিতীয় স্থানটো হৈছে নিদানস্থান — ইয়াত ৮টা অধ্যায় আছে। তৃতীয় স্থানটোৰ নাম হৈছে বিমানস্থান — এই স্থানটোত ৮টা অধ্যায় আছে। চতুৰ্থ স্থানৰ নাম হৈছে শৰীৰ স্থান — ইয়াত ৮টা অধ্যায় আছে। পঞ্চম স্থানৰ নাম হৈছে ইন্দ্ৰিয়স্থান, ইয়াত ১২টা অধ্যায় আছে। ষষ্ঠ স্থানটোৰ নাম হৈছে চিকিৎসাস্থান, ইয়াত ৩০টা অধ্যায় আছে। সপ্তম স্থান হৈছে কল্পস্থান, ইয়াত ১২টা অধ্যায় আছে। আনহাতে অষ্টম স্থান হৈছে সিদ্ধিস্থান, য'ত ১২টা অধ্যায় আছে।

## ১১.৪ সূত্ৰস্থান

চৰকসংহিতাত প্ৰথমটো স্থান হৈছে সূত্ৰস্থান। এই স্থানটোত ৩০টা অধ্যায় আছে। ইয়াত ৭টা বৰ্গ পোৱা যায়, য'ত চাৰিটাকৈ অধ্যায় সন্নিৱিষ্ট হৈ আছে। এই বৰ্গসমূহৰ নামবোৰ হৈছে— ঔষধ, স্বস্থ, নিৰ্দেশ, কল্পনা, ৰোগ, যোজনা আৰু অন্নপানবিধি।

চৰকসংহিতাৰ সূত্ৰস্থানত ডাঙৰ ডাঙৰ অৰ্থযুক্ত চাৰিটা অধ্যায়ৰ ৭ বৰ্গৰ সংগ্ৰহ আছে। শ্লোকাৰ্য অৰ্থাৎ শ্লোকৰ অৰ্থ সেইটোৰেই যিটো সংগ্ৰহৰ অৰ্থ অৰ্থাৎ এই স্থানত বিভিন্ন বিষয়ৰ সংগ্ৰহ কৰা হৈছে, সেয়েহে এই স্থানৰ নাম সূত্ৰস্থান—

'চতুষ্কাণাং মহাৰ্থানাং স্থানে ঽস্মিন্ সংগ্ৰহঃ কৃতঃ।
শ্লোকাৰ্থঃ সংগ্ৰহাৰ্থশ্চ শ্লোকস্থানমতঃ স্মৃতম্।।'

সূত্ৰস্থানৰ প্ৰথম চাৰিটা অধ্যায়ত (১-৪) অৰ্থাৎ প্ৰথম বৰ্গটো ঔষধৰ লগত সম্বন্ধিত। দ্বিতীয় চাৰিটা অধ্যায়ত (৫-৮) স্বস্থ মানুহৰ পালন কৰিবলগীয়া নিয়মৰ উপদেশ দিয়া হৈছে। তৃতীয় বৰ্গৰ চাৰিটা অধ্যায়ত (৯-১২) চিকিৎসাত কৰিবলগীয়া কৰ্তব্যৰ নিৰ্দেশ আছে। চতুৰ্থ বৰ্গৰ চাৰিটা অধ্যায়ত (১৩-১৬) ঔষধ-কল্পনা সম্বন্ধী নিয়মৰ নিৰ্দেশ আছে। পঞ্চম বৰ্গৰ চাৰিটা অধ্যায়ত (১৭-২০) ৰোগৰ বিষয়ত সংখ্যা আদিৰ নিৰ্দেশ কৰা আছে। ষষ্ঠ বৰ্গৰ চাৰিটা অধ্যায়ত (২১-২৪) বিভিন্ন যোজনা অৰ্থাৎ পৰিকল্পনাৰ ব্যাখ্যা আছে। সপ্তম বৰ্গৰ চাৰিটা অধ্যায়ত (২৫-২৮) অন্নপান সম্বন্ধীয় নিয়মবোৰ আছে। শেষৰ দুটা অধ্যায়ত (২৯-৩০) প্ৰাণ আৰু শৰীৰ বিষয়ক আৰু ইয়াত বৈদ্যৰ গুণ সম্বন্ধে কোৱা হৈছে।

চৰকসংহিতাৰ সূত্ৰস্থানত 'সূত্ৰস্থান' শব্দটোৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। ইয়াত কোৱা হৈছে যে, যেনেদৰে ফুলসমূহক একত্ৰিত কৰিবলৈ সূত্ৰ (সূতা)ৰ আৱশ্যক, অৰ্থাৎ সূতাদালতেই ফুলবোৰ সংগঠিত হৈ থাকে, ঠিক তেনেদৰে বিভিন্ন বিষয়ৰ একত্ৰ কৰিবলৈ সূত্ৰস্থানৰ ৰচনা মহৰ্ষিয়ে কৰিছিল। অৰ্থাৎ মালাৰ সমান এই স্থান বিভিন্ন বিষয়ৰ সংগ্ৰহ। যথা সুমনসাং সূত্ৰং সংগ্ৰহাৰ্থং বিধীয়তে। সংগ্ৰহাৰ্থং যথা২ৰ্থানামৃষিণাং সংগ্ৰহঃ কৃতঃ।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** 'চৰকস্তু চিকিৎসতে' এই বাক্যটোৰে কাৰ কথা কোৱা হৈছে?

..........................................................................................

**প্ৰশ্ন নং ২ ঃ** চৰসংহিতাৰ সূত্ৰস্থানত কিমানটা অধ্যায় আছে?

..........................................................................................

**প্ৰশ্ন নং ৩ ঃ** সূত্ৰস্থানৰ প্ৰথম বৰ্গটো কি বিষয়ৰ লগত জড়িত?

..........................................................................................

**প্ৰশ্ন নং ৪ ঃ** সূত্ৰস্থানৰ প্ৰথম অধ্যায়টোৰ নাম কি?

..........................................................................................

**প্ৰশ্ন নং ৫ ঃ** প্ৰথম অধ্যায়টোত কিমানটা শ্লোক আছে?

..........................................................................................

## ১১.৫ সূত্ৰস্থানৰ অধ্যায়সমূহৰ নাম আৰু বিষয়বস্তু

ইতিমধ্যে উল্লেখ কৰা হৈছে যে সূত্ৰস্থানটোত ৩০টা অধ্যায় আছে। এই অধ্যায়সমূহৰ নাম তথা বৰ্ণিত বিষয়বস্তু তলত আলোচনা কৰাহ'ল।

১। **দীৰ্ঘঞ্জীবিতীয় অধ্যায় ঃ** এই অধ্যায়টোত ১৪০টা শ্লোক আছে। এই অধ্যায়ৰ আৰম্ভণিতে আয়ুৰ্বেদ ইতিহাস অৰ্থাৎ আয়ুৰ্বেদৰ অৱতৰণ দাঙি ধৰা হৈছে। ইয়াতে ভৰদ্বাজৰ ইন্দ্ৰৰ ওচৰলৈ গমন, আয়ুৰ্বেদৰ পঠন-পঠন পৰম্পৰা, মহৰ্ষিসকলৰ একত্ৰ হোৱাৰ কাৰণ, ধৰ্মাদি

প্ৰাপ্তিত ৰোগৰ দ্বাৰা বাধকত্ব, ত্ৰিসূত্ৰ আয়ুৰ্বেদৰ স্বৰূপ, ভৰদ্বাজৰ দ্বাৰা ঋষিসকলক আয়ুৰ্বেদৰ উপদেশ, ষট্-পদাৰ্থ বিজ্ঞান, পুনৰ্বসু আত্ৰেয়ৰ অগ্নিবেশাদি ছয়জন শিষ্যক আয়ুৰ্বেদৰ উপদেশ, অগ্নিৱেশৰ দ্বাৰা তন্ত্ৰৰ নিৰ্মাণ, আয়ুৰ্বেদৰ পৰিভাষা, আয়ুৰ লক্ষণ তথা পৰ্যায়, দ্ৰব্য গণনা, কৰ্ম গণনা, কৰ্ম-সমবায়-দ্ৰব্য, গুণ আদিৰ লক্ষণ, ধাতু সাম্য তথা ত্ৰিদোষ বিজ্ঞান, বাত-পিত্ত-কফৰ লক্ষণ, ৰসৰ ভেদ-কাৰ্য, দ্ৰব্যৰ বৰ্গীকৰণ, ঔষধি আৰু চিকিৎসক, শ্ৰেষ্ঠ চিকিৎসকৰ লক্ষণ, ঔষধৰ সম্যক প্ৰয়োগৰ মহত্ব, মূৰ্খ বৈদ্যৰ নিন্দা আদি বিষয়সমূহ আলোচিত হৈছে।

২। **অপমাৰ্গতণ্ডুলীয় অধ্যায় ঃ** এই অধ্যায়টোত ৩৬টা শ্লোক আছে। এই অধ্যায়ত শীৰ্ষবিৰেচন দ্ৰব্য তথা ইয়াৰ প্ৰয়োগ, বমন দ্ৰব্য তথা ইয়াৰ প্ৰয়োগ, বিৰেচন দ্ৰব্য আৰু প্ৰয়োগ, আস্থাপন দ্ৰব্য আৰু ইয়াৰ প্ৰয়োগ, ২৮ প্ৰকাৰৰ যবাগূবৰ্ণন, শূলনাশক যবাগূ, পিপাসা তথা বিষত প্ৰয়োগাৰ্থ যবাগূ, মদৰোগ তথা ক্ষুধাৰোগত প্ৰয়োগাৰ্থ যবাসূ, পঞ্চকৰ্মাৰ্থৰ দ্ৰব্যসমূহৰ আলোচনা আছে।

৩। **আৰগ্বধীয় অধ্যায় ঃ** এই অধ্যায়ত ৩০টা শ্লোক আছে। ইয়াত বাহ্য প্ৰয়োগাৰ্থ ৬ প্ৰকাৰৰ চূৰ্ণ তথা লেপ, কুষ্ঠাদি লেপ, কুষ্ঠাদি চূৰ্ণ, হৰিদ্ৰাদি লেপ, আৰগ্বধাদিলেপ, কোলাদি লেপ, বাতৰক্তহৰ লেপ, গোধূমাদি লেপ, পাৰ্শ্বশূলনাশক লেপ, শীতনাশক লেপ, বিষঘ্ন লেপ আদিৰ বৰ্ণনা আছে।

৪। **ষড়্‌বিৰেচনশতীয় অধ্যায় ঃ** এই অধ্যায়ৰ ২৯ টা শ্লোকত নিম্নোক্ত বিষয়সমূহৰ আলোচনা আছে— বিভিন্ন বামক তথা ৰেচক দ্ৰব্যৰ ৬০০ যোগ, পঞ্চকষায়যোণি, পঞ্চবিধ কষায় কল্পনা, স্বৰস-কল্ক-ক্কাথ-শীত-ফাণ্টৰ লক্ষণ, জীৱনীয় বৃংহনীয়-লেখনীয়-ভেদনীয়-সন্ধানীয়-বল্য-বৰ্ণ আদি ৫০ বিধ মহাকষায়ৰ বৰ্ণনা।

৫। **মাত্ৰাশিতীয় অধ্যায় ঃ** এই অধ্যায়টোত ১১১টা শ্লোক পোৱা যায়। এই শ্লোকসমূহত আহাৰৰ মাত্ৰা আৰু অগ্নিবলৰ সম্বন্ধ, আহাৰ-মাত্ৰাৰ জ্ঞান, মাত্ৰাপূৰ্বক ভোজনৰ লাভ, গুৰু আহাৰ দ্ৰব্যৰ প্ৰয়োগৰ বিধান, স্বস্থ্যবৃত্ত, অঞ্জনৰ লাভ, ধূমপান, অকাল ধূমপান তথা অতি ধূমপানৰ উপদ্ৰব, ধূমনেত্ৰৰ পৰিমাণ, দন্তপৱনৰ বৰ্ণনা, শৰীৰ মাৰ্জনৰ লাভ, সুগন্ধ দ্ৰব্যৰ লেপ আৰু মালাধাৰণৰ লাভ আদিৰ বিষয়ে আলোচনা পোৱা যায়।

৬। **তস্যাশিতীয় অধ্যায় ঃ** এই অধ্যায়টোত ৫১টা শ্লোক আছে। ইয়াত ষড়্‌ঋতু (আদানকাল তথা বিসৰ্গকাল)ত প্ৰাকৃতিক তথা শাৰীৰিক স্থিতি, স্বস্থ্যবৃত্ত পালনত ঋতুবিভাগ, বিসৰ্গ তথা আদান কালৰ বৰ্ণনা, ছয় ঋতু চৰ্যা, হেমন্ত ঋতুৰ আহাৰ-বিহাৰ, শিশিৰ ঋতুৰ আহাৰ-বিহাৰ, বসন্ত ঋতুৰ আহাৰ-বিহাৰ, গ্ৰীষ্মঋতুত আহাৰ-বিহাৰ, বৰ্ষা ঋতুত আহাৰ-বিহাৰ, শৰৎ ঋতুত আহাৰ-বিহাৰ আদি বিষয়ৰ বৰ্ণনা আছে।

৭। **নৱেগান্ধাৰণীয় অধ্যায় ঃ** এই অধ্যায়টোত ৬৬টা শ্লোক আছে। এই অধ্যায়ত ১৩ প্ৰকাৰৰ অধাৰণীয় (non-suppressible urges) বেগৰ বৰ্ণনা আছে। মূত্ৰবেগ ৰোধৰ বাবে হোৱা ৰোগ, পুৰীষবেগ অবৰোধ জন্য ৰোগ, অপানবায়ু ৰোধ কৰাৰ বাবে হোৱা ৰোগ,

বমনৰ বেগ ৰোধ কৰাৰ বাবে হোৱা ৰোগ আদিৰ বৰ্ণনাও এই অধ্যায়ত আছে। আনহাতে, ধাৰণীয় বেগৰ বৰ্ণনা, ব্যায়ামৰ পৰিভাষা-লাভ-হানি, হিতাহিতৰ সেৱন তথা ত্যাগবিধিৰ বৰ্ণনা, শাৰীৰিক প্ৰকৃতিৰ বৰ্ণনা, আগন্তুজ তথা মানসিক ৰোগৰ হেতু তথা চিকিৎসা আদিৰো আলোচনা ইয়াত পোৱা যায়।

৮। **ইন্দ্ৰিয়োপক্ৰমণীয় অধ্যায় ঃ** এই অধ্যায়ত ৩৪টা শ্লোক আছে। পঞ্চ পঞ্চক, মন, পাঁচ জ্ঞানেন্দ্ৰিয়, জ্ঞানেন্দ্ৰিয়ৰ পাঁচটা অধিষ্ঠান, পাঁচটা ইন্দ্ৰিয় বুদ্ধি, মনৰ অতিযোগ, সদবৃত্ত বৰ্ণন, কি কি কৰিব লাগে, কি কি কৰিব নালাগে, কেনেকৈ ভোজন কৰিব লাগে, মলত্যাগ ক'ত ক'ত কৰিব নালাগে, পঠন-পাঠনত নিষেধ, মানসিক ব্যৱহাৰত নিষেধ, হৱন কৰ্মৰ বিধি আদি বিষয়সমূহ এই অধ্যায়ত উপস্থাপিত হৈছে।

৯। **খুড্ডাকচতুষ্পাদ অধ্যায় ঃ** এই অধ্যায়টোত ২৮টা শ্লোক আছে। চিকিৎসাৰ চাৰিটা পাদ, অস্বস্থ্য তথা স্বস্থ্যৰ লক্ষণ, চিকিৎসাৰ পৰিভাষা, বৈদ্যৰ গুণ, উত্তম ঔষধি গুণ, পৰিচাৰকৰ গুণ, ৰোগীৰ গুণ, চিকিৎসকৰ প্ৰধানতা, বৈদ্যৰ লক্ষণ, ৰজাৰ বৈদ্যৰ লক্ষণ, বৈদ্যৰ চাৰি প্ৰকাৰৰ বৃত্তি, উত্তম বৈদ্যৰ ৬ প্ৰকাৰৰ গুণ আদি বিষয়সমূহ এই অধ্যায়টোত আছে।

১০। **মহাচতুষ্পাদ অধ্যায় ঃ** ২৪টা শ্লোক এই অধ্যায়টোত আছে। এই অধ্যায়টোত আলোচিত বিষয়সমূহ হৈছে— চতুষ্পাদ সম্পৰ্কীয় বিবাদ, চতুষ্পাদৰ সাৰ্থকতা, মৈত্ৰেয়ৰ চতুষ্পাদ বিষয়ক বিচাৰ, আত্ৰেয়ৰ চতুষ্পাদ বিষয়ক সাৰ্থকতা, সুখসাধ্য ৰোগৰ স্বৰূপ, কৃচ্ছ্ৰসাধ্যৰোগৰ স্বৰূপ, যাপ্য ৰোগৰ স্বৰূপ, ৰোগ-পৰীক্ষাৰ পিছৰ চিকিৎসা আদি।

১১। **তিস্ৰৈষণীয় অধ্যায় ঃ** অধ্যায়টোত ৬৫টা শ্লোক আছে। প্ৰাণ-ধন-পৰলোক— এই তিনিটা এষণা (pursuits), আপ্তোপদেশ-প্ৰত্যক্ষ-অনুমান-যুক্তি এই চতুৰ্বিধ পৰীক্ষা, চতুৰ্বিধ প্ৰমাণৰ দ্বাৰা পুনৰ্ভৱ (Re-birth) ৰ সিদ্ধি, ত্ৰিবিধ প্ৰকাৰৰ অন্য সাতটা বিষয়— তিনিটা উপস্তম্ভ, তিনিটা বল, ত্ৰিবিধৰোগ আয়তন, স্পৰ্শনেন্দ্ৰিয়ৰ ব্যাপকত্ব, ত্ৰিবিধৰোগ, ত্ৰিবিধ ৰোগমাৰ্গ, ত্ৰিবিধ বৈদ্য, ত্ৰিবিধ ঔষধ ইত্যাদি বিষয়সমূহ এই অধ্যায়টোত আছে।

১২। **বাতকলাকলীয় অধ্যায় ঃ** এই অধ্যায়ত ১৭টা শ্লোক আছে। ইয়াত আলোচনা কৰা বিষয়সমূহ হৈছে— বাত সম্বন্ধীয় বিষয়, পিত্ত সম্বন্ধীয় বিষয়, কফ সম্বন্ধীয় বিষয়, ত্ৰিদোষ সম্বন্ধীয় বিষয় ইত্যাদি।

১৩। **স্নেহ অধ্যায় ঃ** ইয়াত ১০০টা শ্লোক আছে। ইয়াত অন্তৰ্ভুক্ত বিষয়সমূহ হৈছে— স্থাৱৰ স্নেহ, জংগম স্নেহ, তিলতৈল তথা প্ৰচণ্ড তৈলৰ শ্ৰেষ্ঠতা, ঘৃতৰ গুণ, তৈলৰ গুণ, বসাৰ গুণ, মজ্জাৰ গুণ, স্নেহৰ ২৪টা প্ৰবিচাৰণ, স্নেহৰ (Oleation Therapy) ত্ৰিবিধ মাত্ৰা, চতুৰ্বিধ স্নেহ, স্নেহৰ প্ৰকৰ্ষকাল, সম্যকস্নিগ্ধ তথা অতিস্নিগ্ধ ব্যক্তিৰ লক্ষণ, মৃদুকোষ্ঠ, ক্ৰুৰকোষ্ঠ, স্নেহন বিধি, কুষ্ঠাদিৰোগত স্নেহন বিধি আদি।

১৪। **স্বেদ অধ্যায় ঃ** এই অধ্যায়টোত ৭১টা শ্লোক আছে। ইয়াত সন্নিৱিষ্ট বিষয়সমূহ হৈছে— স্বেদন (Sudation) বিধিৰ আলোচনা, স্বেদনৰ লাভ, স্বেদনৰ আধাৰ, স্বেদৰ ভেদ, নেত্ৰ-হৃদয় আদিৰ স্বেদন বিধি, স্বেদনৰ অভিযোগ লক্ষণ, পিণ্ড-প্ৰস্তৰ স্বেদৰ দ্ৰব্য, অবগাহ-

উপনাহ স্বেদবিধি, ১৩ প্ৰকাৰৰ অগ্নি-স্বেদন বিধি, ১০ প্ৰকাৰৰ নিৰগ্নি স্বেদন আদি।

১৫। **উপকল্পনীয় অধ্যায় ঃ** ইয়াত ২৫টা শ্লোক আছে। ইয়াত সম্ভাৰ দ্ৰব্যৰ প্ৰস্তুতি (Collection of Equipments) সম্ভাৰ দ্ৰব্যৰ আৱশ্যকতা, বিভিন্ন সম্ভাৰৰ গণনা, বমন-বিৰেচন কৰ্ম (Purifactory measures), বমনকৰ্ম (Emesic), বমনকৰ্মৰ মুখ্যবিধি, বমনকৰ্মৰ অযোগ-যোগ-অতিযোগ লক্ষণ, সংসৰ্জন ক্ৰম (Post-Panch Karma), বিৰেচন কৰ্ম (Purgation) আদি বিষয়সমূহ আলোচিত হৈছে।

১৬। **চিকিৎসাপ্ৰাভৃতীয় অধ্যায় ঃ** এই অধ্যায়ত ৪১টা শ্লোক আছে। ইয়াত আলোচিত বিষয়সমূহ হৈছে— চিকিৎসাপ্ৰাভৃত-চিকিৎসকৰ লাভ, মূৰ্খবৈদ্যৰ হানি, সংশোধন কৰ্ম-বিমৰ্শ, সম্যগ্বিৰিক্ত পুৰুষৰ লক্ষণ, বিৰেচনৰ অতিযোগ লক্ষণ, বমনৰ অতিযোগ লক্ষণ, স্বভাবোপৰমবাদ, স্বভাবোপৰমবাদৰ দাৰ্শনিক আধাৰ, চিকিৎসাৰ উদ্দেশ্য, ঋাতু-সাম্য প্ৰাপ্তিৰ সাধন, চিকিৎসাপ্ৰাভৃতৰ লাভ আদি।

১৭। **কিয়ন্ত ঃ শিৰসীয় অধ্যায় ঃ** এই অধ্যায়টোত ১২১টা শ্লোক আছে। শিৰোৰোগ (Diseases of the Head), শিৰৰ পৰিভাষা, বাতজন্য-পিত্তজন্য-কফজন্য-সন্নিপাতজ-ক্ৰিমিজন্য— এই পাঁচপ্ৰকাৰৰ শিৰোৰোগ, হৃদৰোগ (Cardiac Diseases), ৬২ প্ৰকাৰৰ ব্যাধি, ১৩ প্ৰকাৰৰ সন্নিপাত, ১৮ প্ৰকাৰৰ ক্ষয়, ৭ প্ৰকাৰৰ পিণ্ডৰ বৰ্মনা, দোষৰ গতি, ঋতু অনুসৰি দোষৰ গতি আদি বিষয়বোৰ ইয়াত উপলব্ধ।

১৮। **ত্ৰিশোথীয় অধ্যায় ঃ** ইয়াত ৫৫টা শ্লোক আছে। এই অধ্যায়ত বৰ্ণিত বিষয়সমূহ হৈছে— নিজ-আগন্তুজ শোথৰ (Endogenous & Exogenous oedemas), শোথৰ ভেদ, আগন্তুজ শোথৰ কাৰণ, নিজ শোথৰ কাৰণ, শোথৰ বিভিন্ন বৰ্গীকৰণ, বাতিক-পৈত্তিক-শ্লৈষ্মিক শোথৰ লক্ষণ, শোথৰ উপদ্ৰৱ, একদেশীয় শোথ (Local swellings), সাধ্যাসাধ্যতা, অসংখ্য ব্যাধি, ক্ষীণ দোষ আদি।

১৯। **অষ্টোদৰীয় অধ্যায় ঃ** ইয়াত ৯টা শ্লোক আছে। ইয়াৰ বিষয়সমূহ হৈছে— সামান্যজ বিকাৰ (General Diseases), ৪৮ ৰোগৰ প্ৰভেদ, ৮টা উদৰৰোগ, ৭টা কুষ্ঠৰোগ, ৫টা গুল্মৰোগ, ৫টা শীৰোৰোগ, ৫টা পাণ্ডুৰোগ, ৫ প্ৰকাৰৰ উন্মাদ, ৪ প্ৰকাৰৰ কৰ্ণৰোগ, ২ প্ৰকাৰৰ জ্বৰ, ২ প্ৰকাৰৰ অৰ্শৰোগ, ২০ প্ৰকাৰৰ ক্ৰিমিৰোগ আদি।

২০। **মহাৰোগ অধ্যায় ঃ** ইয়াত ২৫টা শ্লোক আছে। ইয়াত আলোচিত বিষয়সমূহ হৈছে— ৰোগৰ বিবিধ প্ৰকাৰ, আগন্তুক ৰোগৰ কাৰণ, নিজৰোগৰ কাৰণ, আগন্তুক তথা নিজৰোগৰ পৰিভাষা, ত্ৰিদোষ অৰ্থাৎ বাত-পিত্ত-কফৰ শৰীৰত অৱস্থান, ৰোগৰ সামান্যজ তথা নানাত্মজ ভেদ, বাতৰ ৮০ প্ৰকাৰৰ নানাত্মজ বিকাৰ, পিত্তৰ ৪০ প্ৰকাৰৰ নানাত্মজ বিকাৰ, শ্লেষ্মাৰ ২০ প্ৰকাৰৰ নানাত্মজ ৰোগ ইত্যাদি।

২১। **অষ্টৌনিন্দিত অধ্যায় ঃ** এই অধ্যায়টোত ৬২ শ্লোক আছে। এই অধ্যায়ত আলোচনা কৰা বিষয়সমূহ হৈছে— আঠ প্ৰকাৰৰ নিন্দনীয় শৰীৰ, অতিস্থূল পুৰুষৰ দোষ, অতিস্থূলৰ লক্ষণ, অতিকৃশ পুৰুষৰ লক্ষণ, অতিকৃশ পুৰুষৰ দোষ, স্বস্থ্যপুৰুষ, অতিস্থূলতাৰ চিকিৎসা, নিদ্ৰা, নিদ্ৰাৰ পৰিভাষা, নিদ্ৰাৰ লাভ, নিদ্ৰাৰ মহত্ব, অতিনিদ্ৰাৰ চিকিৎসা, নিদ্ৰাৰ ভেদ

আদি।

২২। **লঙ্ঘনবৃংহণীয় অধ্যায় ঃ** এই অধ্যায়ত ৪৪টা শ্লোক আছে। ইয়াত লঙ্ঘন-বৃংহণ-ৰূক্ষণ-স্নেহন-স্তম্ভন নামৰ ৬ প্ৰকাৰৰ চিকিৎসা, লঙ্ঘনৰ ১০টা প্ৰকাৰ, লঙ্ঘনৰ সময় তথা দ্ৰব্য, বৃংহণৰ দ্ৰব্য, ৰূক্ষণৰ দ্ৰব্য, ৰূক্ষণ, কৰিবলগীয়া ৰোগ, স্তম্ভনৰ দ্ৰব্য, স্তম্ভণীয় পুৰুষ, অতি লঙ্ঘনৰ লক্ষণ, উচিত বৃংহণৰ লক্ষণ আদি বিষয়সমূহ বৰ্ণিত হৈছে।

২৩। **সন্তৰ্পণীয় অধ্যায় ঃ** এই অধ্যায়ত ৪০টা শ্লোক আছে। ইয়াত সন্তৰ্পণজন্য ৰোগ, সন্তৰ্পণজন্য ৰোগৰ চিকিৎসা, ত্ৰিফলাদি ক্কাথ, কুষ্ঠাদি চূৰ্ণ, প্ৰমেহ চিকিৎসা, অপতৰ্পণৰ দ্বাৰা হোৱা ৰোগ, সন্তৰ্পণৰ দুটা বিভাগ আদি বিষয়সমূহ উপস্থাপিত হৈছে।

২৪। **বিধিশোণিতীয় অধ্যায় ঃ** অধ্যায়টোত ৬০টা শ্লোক আছে। ইয়াত উপস্থাপিত বিষয়সমূহ হৈছে— ৰক্ত তথা ৰক্তৰোগ, শুদ্ধ ৰক্ত প্ৰক্ৰিয়া, ৰক্তদুষ্টিৰ নিদান, ৰক্তজ ৰোগ, ৰক্তজ ৰোগৰ চিকিৎসা, মদৰোগ, মদৰোগৰ লক্ষণ, মূৰ্চ্ছাৰোগ, মূৰ্চ্ছাৰোগৰ লক্ষণ, সন্যাস ৰোগ, সন্যাস ৰোগৰ বিশেষত্ব আদি।

২৫। **যজ্জঃপুৰুষীয় অধ্যায় ঃ** ৫১টা শ্লোক এই অধ্যায়টোত আছে। ইয়াত বৰ্ণিত বিষয়সমূহ হৈছে— ৰাশিপুৰুযোৎপত্তি তথা ৰোগোৎপত্তি বিষয়ক সম্ভাষা পৰিষদ (Symposium on origin of man & Disease), সম্ভাষা পৰিষদৰ উদ্দেশ্য, পুৰুষ তথা ৰোগ বৃদ্ধিৰ হেতু, আহাৰৰ ভেদ, পথ্য তথা অপথ্যৰ লক্ষণ, ৮৪ প্ৰকাৰৰ আসৱ (Fermentative Products)ৰ বৰ্ণনা, আসৱৰ সংজ্ঞা তথা আধাৰত আসৱৰ গুণ আদি।

২৬। **আত্ৰেয়ভদ্ৰকাপ্যীয় অধ্যায় ঃ** এই অধ্যায়ত ১১৩টা শ্লোক আছে। ৰসসংখ্যাবিষয়ক চৰ্চা, দ্ৰব্য বিমৰ্শ, পাৰ্থিৱ দ্ৰব্যৰ লক্ষণ, জনীয়-তৈজস-বায়ব্য-আকাশীয় দ্ৰব্যৰ লক্ষণ, ৰস অনুসৰি দ্ৰব্যৰ ৬৩ ভেদ, ৰস আৰু অনুৰসৰ লক্ষণ, গুণ প্ৰকৰণ, পৰাদি গুণৰ সংখ্যা, ৬ প্ৰকাৰৰ ৰসৰ উৎপত্তি, বিপাক লক্ষণ, বীৰ্য্যৰ লক্ষণ তথা ভেদ, প্ৰভাৱৰ লক্ষণ, মধুৰ-অম্ল আদি ৰসৰ পৰিভাষা, বৈৰোধিক আহাৰ, বৈৰোধিক আহাৰৰ ঘটক আদি বিষয়ৰ আলোচনা ইয়াত আছে।

২৭। **অন্নপানবিধি অধ্যায় ঃ** এই অধ্যায়টোত ৩৫২টা শ্লোক আছে। দীঘলীয়া এই অধ্যায়টোত অন্নপান (Diets) বিষয়ক আলোচনা পোৱা যায়। ইয়াত অন্নপান বিষয়ক ১২টা বৰ্গ যেনে— শূকধান্যবৰ্গ (Class of corns), শমীধান্যবৰ্গ (Class of Pulses), মাংসবৰ্গ (Class of Fleshes), শাকবৰ্গ (Class of Vegetables), ফলবৰ্গ (Class of Fruits), হৰিতবৰ্গ (Class of Greens), মদ্যবৰ্গ (Class of Wines), জলবৰ্গ (Class of Waters), গৌৰস বৰ্গ (Class of Milks), ইক্ষুবৰ্গ (Class of Sugertanes), কৃতান্নবৰ্গ (Class of Cooked Foods), আহাৰযোগিবৰ্গ (Class of Adjuvants of Food)।

২৮। **বিবিধাশিতপীতীয় অধ্যায় ঃ** এই অধ্যায়ত ৫৮টা শ্লোক আছে। অধ্যায়টোত আহাৰ পাচন, হিতকাৰী-অহিতকাৰী আহাৰ, ৰসাদিজন্য বিকাৰ, ৰসজ আদি ৰোগৰ গণনা, দুষ্টৰসজ ৰোগ, দুষ্ট ৰক্তজ ৰোগ, দুষ্ট মাংসজ ৰোগ, দুষ্ট মেদজ ৰোগ, দুষ্ট অস্থিৰোগ, দুষ্ট শুক্ৰজ

ৰোগ, মলগত দোষজ ৰোগ, ৰসজ ৰোগৰ চিকিৎসা, মাংসজ ৰোগৰ চিকিৎসা, অস্থিগত ৰোগৰ চিকিৎসা, মলজ ৰোগৰ চিকিৎসা আদি বিষয়সমূহ উপস্থাপিত হৈছে।

২৯। **দশপ্ৰাণায়তনী অধ্যায় ঃ** এই অধ্যায়টোত ১৪টা শ্লোক আছে। ইয়াত দহটা প্ৰাণায়তন (Life Spots), প্ৰাণভিসৰ বৈদ্যৰ লক্ষণ, দুই প্ৰকাৰৰ চিকিৎসক— প্ৰাণাভিসৰ তথা ৰোগাভিসৰ, ৰোগাভিসৰ বৈদ্যৰ সংজ্ঞা তথা লক্ষণ, উত্তম বৈদ্যৰ প্ৰশংসা আদি বিষয়সমূহ উপস্থাপিত হৈছে।

৩০। **অৰ্থেদশমহামূলীয় অধ্যায় ঃ** সূত্ৰস্থানৰ অন্তিম এই অধ্যায়টোত ৮৯টা শ্লোক পোৱা যায়। ইয়াত বৰ্ণিত বিষয়সমূহ হৈছে— হৃদয়ৰ বৰ্ণনা, হৃদয়ৰ প্ৰধানতা, ওজৰ বৰ্ণনা, ধমনী-স্ৰোত-সিৰাৰ নিৰুক্তি, আয়ুৰ্বেদবিদৰ লক্ষণ, আয়ুৰ্বেদবিষয়ক কিছু প্ৰশ্ন আৰু ইয়াৰ সমাধান, তন্ত্ৰ আদি ৮টা প্ৰশ্ন, চৰকসংহিতান্তৰ্গত অধ্যায়ৰ বিৰৰণ, প্ৰশ্নৰ লক্ষণ, প্ৰশ্নাৰ্থৰ লক্ষণ, উত্তম তথা হীন বৈদ্যৰ পৰীক্ষণ, ত্যাজ্য তথা সেব্য বৈদ্যৰ বিৰৰণ, জ্ঞান-অজ্ঞানত গুণ-দোষ, সূত্ৰস্থানৰ নিৰুক্তি আদি।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৬ ঃ** 'চৰকসংহিতা'ৰ সূত্ৰস্থানৰ দ্বিতীয় অধ্যায়ত কিমানটা শ্লোক আছে?

..........................................................................................

**প্ৰশ্ন নং ৭ ঃ** সূত্ৰস্থানৰ তৃতীয় অধ্যায়টোৰ নাম কি?

..........................................................................................

**প্ৰশ্ন নং ৮ ঃ** মাত্ৰাশিতীয় অধ্যায়ত কিহৰ বৰ্ণনা আছে?

..........................................................................................

**প্ৰশ্ন নং ৯ ঃ** চতুষ্পাদৰ বিষয়ে কোনটো অধ্যায়ত পোৱা যায়?

..........................................................................................

**প্ৰশ্ন নং ১০ ঃ** স্বেদ অধ্যায়ত কি পোৱা যায়?

..........................................................................................




## ১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- চৰকসংহিতাৰ সূত্ৰস্থানৰ বিষয়বস্তুৰ লগত চিনাকি হ'ব পাৰিলে।
- চৰকসংহিতাৰ সংক্ষিপ্ত বিষয়সূচীৰ লগত পৰিচয় হ'ল।

- চৰকসংহিতাৰ সূত্ৰস্থানৰ লগত চিনাকি হ'ব পাৰিলে।
- সূত্ৰস্থানৰ ৩০টা অধ্যায়ৰ বিষয়বস্তু সংক্ষেপে জানিব পাৰিলে।
- অধ্যায়সমূহৰ গাঁথনি সম্পৰ্কে অৱগত হ'ব পাৰিলে।



## ১১.৭ অধিক জানিবলৈ


১) শাস্ত্ৰী, (পঃ) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* খণ্ড ১-২, বাৰানসী ঃ চৌখম্ভা ভাৰতী একাডেমী।

২) পাণ্ডে, (ডাঃ) গঙ্গাসহায় (সম্পাদিত), (২০০৭), *চৰকসংহিতা,* ভাগ ১-২, বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।

৩) বাৰ্ষ্ণেয়, চন্দ্ৰগুপ্ত, (২০০২), *চৰকসংহিতা,* জয়পুৰ ঃ ৰাজস্থান পত্ৰিকা প্ৰকাশন।

৪) Goswami, (Dr.) Dilip Kumar, (2018), *Essentials of Ayurveda,* Jorhat : Eastern Readers Publication.

৫) Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hifopadesha,* Puri : Ethical Publications.



## ১১.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** চৰকৰ।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ৩০টা।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** ঔষধৰ লগত।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** দীৰ্ঘঞ্জীৱিতীয় অধ্যায়।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** ১৪০টা।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** ৩৬টা।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** আৰগ্বধীয়।

**৮ নং প্ৰশ্নৰ উত্তৰ ঃ** মাত্ৰাপূৰ্বক ভোজনৰ বিষয়ে।

**৯ নং প্ৰশ্নৰ উত্তৰ ঃ** দশম অধ্যায়ত।

**১০ নং প্ৰশ্নৰ উত্তৰ ঃ** স্বেদনৰ বিষয়ে।



## ১১.৯ আৰ্হি প্ৰশ্ন

**(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ**

**প্ৰশ্ন ১ ঃ** তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখক।

(ক) 'সূত্ৰস্থান' শব্দটোৰ 'সূত্ৰ' শব্দটোৰ অৰ্থ কি?

(খ) সূত্ৰস্থানত কিমানটা অধ্যায় আছে?

(গ) সূত্ৰস্থানৰ তৃতীয় বৰ্গটোত কি বিষয়ৰ আলোচনা আছে?

(ঘ) সূত্ৰস্থানৰ দ্বিতীয় অধ্যায়টোৰ নাম কি?

(ঙ) সূত্ৰস্থানৰ শেষৰ অধ্যায়টোৰ বিষয়বস্তু কি?

**(খ) চুটি প্ৰশ্ন ঃ**

**প্ৰশ্ন ১ ঃ** চমুটোকা লিখক ঃ

দীৰ্ঘঞ্জীৱিতীয় অধ্যায়, অপমাৰ্গতণ্ডুলীয় অধ্যায়।

**(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ**

**প্ৰশ্ন ১ ঃ** 'চৰকসংহিতা'ৰ বিষয়বস্তু সংক্ষেপে লিখক।

**প্ৰশ্ন ২ ঃ** চৰকসংহিতাৰ 'সূত্ৰস্থান'ৰ বিষয়বস্তু সংক্ষেপে আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** 'সূত্ৰস্থান'ৰ অধ্যায়সমূহৰ নাম লিখক।

*** ***** ***